# CURRENT GOVERNMENT ORDERS ON MOVEMENT OF MIGRANT WORKERS AS ON 03/05/2020 + TUTORIAL ON FILLING OUT GOVERNMENT FORM FOR WORKER REGISTRATION FOR TRAVEL

(Assamese)
03/05/2020

দক্ষিণ ৰেলৱেয়ে ঘোষণা কৰিছে যে কালিলৈকে তামিলনাড়ু ৰাজ্য চৰকাৰৰ পৰা তেওঁলোকে শ্ৰমিক ট্ৰেইন চলাবৰ বাবে কোনো অনুৰোধ লাভ কৰা নাই। এই ঘোষণাৰ কিছু পিছতে কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ে সকলো ৰাজ্যলৈ এখন পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰখনত কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰে যে শ্ৰমিকসকলে কৰ্মৰত ৰাজ্যত যদি দীঘলীয়া সময়ৰ বাবে বাস কৰি আহিছে, তেন্তে সেইসকল শ্ৰমিকক অৱৰুদ্ধ বা বিপদগ্ৰস্ত বুলি বিবেচনা কৰা নহ'ব। কেন্দ্ৰীয় চৰকাৰৰ গৃহ দপ্তৰ আৰু ৰাজ্য চৰকাৰে স্পষ্ট কৰিছে যে হঠাতে গৈ আৱদ্ধ হোৱা লোককহে প্ৰথমে ওভটি যোৱাৰ সুযোগ দিয়া হ'ব। এই বিষয়ত লাভ  কৰা তথ্য-পাতিবোৰ আপোনালোকৈলৈ আমি পঠিয়াই দিছোঁ, যাতে আপোনালোকে নিজে কথাখিনি পঢ়ি চাব পাৰে।

কেন্দ্ৰীয় চৰকাৰ আৰু তামিলনাড়ু চৰকাৰে কৈছে যে তেওঁলোকে এটা এটাকৈ উদ্যোগবোৰ খুলিবলৈ দিব। চেন্নাইত তেওঁলোকে নিৰ্মাণখণ্ডৰ কাম-কাজ আৰম্ভ কৰিবলৈ দিছে। কাঞ্চীপুৰম, চেঙালপেট, ট্ৰিপ্‌পুৰত মুঠ শ্ৰমিকৰ এটা অংশক কামত নিয়োজিত কৰি ফেক্টৰীবোৰ চলাবলৈ দিয়া হৈছে। কিন্তু, শ্ৰমিকসকলৰ ঘৰলৈ ওভটাক লৈ কোনো নিশ্চয়তা দিয়া হোৱা নাই।

এই অনিশ্চয়তা স্বত্বেও আপোনালোকে যদি ঘৰলৈ যাবলৈ ফৰ্ম পূৰাবলৈ বা ৰেজিষ্টাৰ কৰিবলৈ আগ্ৰহী, তেন্তে কেতবোৰ সহায় আমি আগবঢ়াম।

আমি আপোনালোকক অৱগত কৰিব বিচাৰোঁ যে আপোনালোকক কামত পুনৰ আহিবলৈ ক'লে আপোনালোকৰ নিয়োগকৰ্তা বা মালিকপক্ষই কেতবোৰ নিয়ম পালন কৰিব লাগিব। এজন চিকিৎসকৰ উপস্থিতি প্ৰাথমিক প্ৰয়োজন। কৰ্মস্থলী সঘনাই  পৰিষ্কাৰ কৰি থকাটোও অত্যন্ত দৰকাৰী। পুষ্টিকৰ খাদ্য, স্বাস্থ্যসন্মত থকা ঠাই, পৰিস্কাৰ শৌচালয়- প্ৰস্ৰাৱগাৰ, যথোপযুক্ত বিশ্ৰাম আৰু বিৰতি তথা ঔষধ-পথ্যৰ ব্যৱস্থা কৰাটো নিয়োগকৰ্তাৰ দায়িত্ব। পাবলগীয়া বেতনৰ লগতে এইখিনি সুবিধা লাভ কৰাটো আপোনালোকৰ অধিকাৰ। চৰকাৰে দৰমহা কাটিবলৈ নিৰ্দেশ দিয়া নাই। ফেব্ৰুৱাৰী-মাৰ্চ-এপ্ৰিল আৰু তাৰো আগৰ অনাদায় বেতন দাবী কৰিবলৈ আপোনালোকৰ সম্পূৰ্ণ অধিকাৰ আছে। যদি ঘৰলৈ ওভটি যাবলৈকো আপোনালোক ইচ্ছুক, তেনেহ'লেও এইখিনি ধন আপোনালোকৰ প্ৰাপ্য। যদি আপোনালোকে পুনৰ কামত যোগ দিব বিচাৰে, তেন্তে এই অনাদায় ধন আপোনালোকৰ দিবলৈ মালিকপক্ষ বাধ্য। অন্যথা এয়া বন্ধুৱা খটোৱা হ'ব। যদি দৰমহা আদায় নিদি মালিক পক্ষই অন্য কিবা অজুহাত দিয়ে, তেওঁলোকে মিছা মাতিছে। এই কথা সঁচা যে ঘৰলৈ ওভটিবৰ বাবে কৰা ব্যৱস্থাৰ ক্ষেত্ৰত এতিয়াও স্পষ্টতা নাই। কিন্তু, নিয়োগকৰ্তা মালিকপক্ষই আপোনালোকৰ হৈ যিকোনো সিদ্ধান্ত ল'ব নোৱাৰে বা বেতন আদায় নিদিয়াকৈ থাকিব নোৱাৰে। চৰকাৰে তেনে কৰিবলৈ কোনো নিৰ্দেশ দিয়া নাই।

03/05/2020

চৰকাৰৰ নতুন জাননি : শ্ৰমিক সকল ঘৰলৈ যাব নোৱাৰে।

লাখ লাখ শ্ৰমিকে কৰোণাৰ বাবে কৰ্মহীন হোৱাত যেনে তেনে ঘৰলৈ যাবলৈ ওলোৱাত মাজবাটত বহুত বাধাৰ সন্মুখীন হল।

গতিকে গৃহমন্ত্ৰালয়ৰ ফালৰ পৰা এখন নতুন জাননি জাৰি হৈছে যে ঘৰলৈ যাবলৈ দিয়া সুবিধা উঠাই লোৱা হৈছে।
নতুন জাননি মতে কোৱা হৈছে যে যিবিলাক শ্ৰমিক ঘৰৰ পৰা আতৰত আৰামত আছে,তেওঁলোকক ঘৰলৈ যোৱা সুবিধা দিয়া নহব।

ঘৰলৈ যোৱাৰ সুবিধা সেইসকলৰ বাবেও নহয় যি সকল বিনা কাৰণত ঘৰলৈ যাব বিচাৰে।
অজয় ভাল্লা, ভা. প্ৰ. বি.
D.O.40-10/2020-DM-1A date:03 May, 2020

প্ৰতি
মুখ্য সচিব মহোদয়,

অনুগ্ৰহ কৰি গৃহ বিভাগৰ অৰ্ডাৰ নম্বৰ 40-3/2020-DM-1(A), তাং 29 এপ্ৰিল, 2020 আৰু 1 মে 2020 ৰ উদ্ধৃতি দিছোঁ তাৰ মৰ্মে পৰিব্ৰাজক শ্ৰমিক, তীৰ্থযাত্ৰী, পৰ্য্যটক, ছাত্ৰ-ছাত্ৰী, আৰু যি কোনো ঠাইত মানুহে লকডাউনত যাতায়তৰ অসুবিধাৰ বাবে বিপত্তিত পৰা লোকৰ আহ-যাহৰ সন্মতিৰ ওপৰত লিখা হৈছিল।

2. ইয়াৰ দ্বাৰা এই কথা স্পষ্ট কৰি দিয়া হৈছে যে, উপৰোক্ত গৃহ বিভাগৰ অৰ্ডাৰটো সেইসকল লোকৰ বাবে প্ৰযোজ্য যি সকলে লকডাউন হোৱাৰ আগতেই তেওঁলোকৰ বসতি/কৰ্মক্ষেত্ৰৰ পৰা ওলাই আহিছিল আৰু লকডাউনৰ সময়ত চলা ফুৰাত বাধা নিষেধৰ বাবে বসতি/কৰ্মক্ষেত্ৰলৈ ঘূৰিব নোৱাৰা হ'ল। এই অৰ্ডাৰৰ দ্বাৰা সুনিশ্চিত কৰা হৈছে যে উপৰোক্ত অৰ্ডাৰটো এনেধৰণৰ দুৰ্গত লোকৰ বাবেহে, কিন্তু তেওঁলোকৰ বাবে নহয়, যি সকলে এই লকডাউনৰ সময়তো, কামৰ খাতিৰত, নিজৰ ঘৰৰ পৰা আঁতৰত থাকিও, স্বচ্ছন্দ ভাবে জীৱন নিৰ্বাহ কৰি আছে, আৰু তেওঁলোকে নিজৰ ঠাইলৈ বিনা কাৰণত যাব বিচাৰে।
3. মই ইয়াৰ দ্বাৰা, সকলো ৰাজ্য, কেন্দ্ৰ শাসিত অঞ্চলৰ চৰকাৰক আহ্বান জনাইছোঁ যাতে উপৰোক্ত সকলৰ দৰে বিপত্তিত পৰা লোক সকলৰ আহ যাহ, MHA ৰ অৰ্ডাৰ মৰ্মে অনুমতি দিয়ে।

ইতি,
Ajay Bhalla.
---------------------------

03/05/2020

চেন্নাই পৌৰ নিগমৰ আয়ুক্ত শ্ৰী জি প্ৰকাশে যোৱা দেওবাৰে সাংবাদিক মেল এখনত কয় যে ' চেন্নাই পৌৰ নিগমে এইটো নিশ্চিত কৰিছে ,যাতে বাহিৰৰ ৰাজ্যৰ পৰা অহা কৰ্মচাৰী সকলে যিমান পাৰি সোনকালে নিজৰ নিজৰ কামত যোগদান কৰিব পাৰিব। এই কৰ্মচাৰী সকলে লকডাওন ৰ সময়ত হোৱা দুৰ্গতিৰ হেতু ,নিজৰ ঠাইলৈ উভতি যাবলৈ বুলি চহৰৰ বিভিন্ন প্ৰান্তত দাবী প্ৰদৰ্শন কৰিছিল, সেয়েহে কোম্পানীবোৰে এই বিষয়ে বিশদ আলোচনা কৰাৰ পাছত আয়ুক্তই ওপৰোক্ত ঘোষণা জাৰি কৰিছে।

"উদ্যোগ আৰু অৰ্থনৈতিক ক্ষেত্ৰত কাম কাজ বিলাক যাতে পুনৰ চলাব পাৰো ,তাৰ বাবে আমি চেষ্টা কৰি আছো। পূৰ্বৰ দৈনিক জীৱন সোনকালেই ঘূৰি আহিব। পৌৰ নিগমত প্ৰায় ৫০০০ কৰ্মচাৰী আছে আৰু আমি ৯০% ৰ ভাৰ বহন কৰিম। কৰ্মচাৰী সকলৰ নিয়মীয়া জীৱন ঘূৰি অহাত আমি সহায় কৰিম আৰু যদি কোনোবাই এই চহৰ এৰি যাব বিচাৰিছে তেন্তে আমি তেওঁলোকৰ পৰা সহাৰি পালে, সহায় কৰিম," বুলি নিগমৰ আয়ুক্তই কয়।

আয়ুক্ত ই আৰু কয় যে, সোমাবাৰৰ পৰা যিহেতু চহৰৰ ভিতৰৰ বেছিভাগ ঠাইতে কনস্ট্ৰোক্টচনৰ কাম আৰম্ভ হ'ব, তেতিয়া এই কৰ্মচাৰী সকলৰ কাম আৰু নিয়মীয়া জীৱন যাপন কৰাত সহায় কৰা হ'ব । শতাধিক কৰ্মচাৰী য়ে তেওঁলোকৰ দাবী পূৰণৰ কাৰনে যোৱা শনিবাৰে ভেলাচেৰী, পালাভাৰম আৰু গুইন্দি ত ধৰ্ণা কৰিছিল। কিছুমানে আনকি পৌৰনিগমৰ মুখ্য কাৰ্যালয় ৰিপন বিল্ডিঙলৈকো গৈছিল।

আয়ুক্তই কয় যে, যিদৰে ভ্ৰমনকাৰী (টুৰিষ্ট) আৰু ছাত্ৰ সকলক ঘূৰি যাবলৈ প্ৰাধান্য দিয়া হ'ব, সেইদৰেই নিশ্চিত কৰা হব যাতে এই কৰ্মচাৰী সকলে অতি সোনকালে নিয়মীয়া জীৱন যাপন কৰিবলৈ সুবিধা পায়।

নগৰপালিকাই কয় যে, ৰপ্তানি বিভাগে (এক্সপৰত) ২৫% ষ্টাফ আৰু IT কোম্পানীয়ে ১০% ষ্টাফৰ দ্বাৰা কাম জাৰি ৰাখিছে।

ইয়াৰ উপৰিও, সুৰক্ষা ঠাইত সকলো দোকান পোহাৰ খোলা ৰাখিব পাৰিব বুলি চৰকাৰে কৈছে। দলং আৰু চাবৰে তৈয়াৰ কৰিবলৈ লগা ইটাভাটি আৰু শিলৰ খনি বোৰেও যোগান ধৰাৰ কাম শীঘ্ৰে আৰম্ভ কৰিব।

ঘৰত কাম কৰিবলৈ অহা মানুহবোৰক ঘৰৰ গৃহস্থই পাছ দিয়াৰ সুবিধা কৰি দি লাগে বুলিও আয়ুক্ত ই কয়, কাৰন ঘৰুৱা কাম কৰিবলৈ অহা বোৰে কিদৰে পাছ উলিয়াব লাগে সেইবোৰ নাজানে।

ভি চি কে দলে চৰকাৰক জোৰ দিছে যাতে বাহিৰৰ ৰাজ্য ৰ পৰা অহা সকলক নিজৰ ঘৰলৈ উভতি যাবলৈ দিয়ে।

Source: https://www.newindianexpress.com/cities/chennai/2020/may/04/will-ensure-migrants-return-to-work-routine-chennai-corporation-on-lockdown-2138829.html

------------------------------

দেশজুৰা লক ডাউনৰ সময়ত তামিলনাডু ৰাজ্যত আবদ্ধ হৈ থকা যি সকল অভিবাসীয়ে নিজ গৃহ ৰাজ্যলৈ ঘূৰি যাব বিচাৰে তেওঁলোকৰ বাবে এটি শিক্ষণ সহায়িকা। এই শিক্ষণ সহায়িকা খনৰ সহায়ত তামিলনাডু চৰকাৰে নিজ গৃহ ৰাজ্যলৈ ঘূৰি যাব বিচৰা লোকসকলৰ বাবে ব্যৱস্থা কৰি দিয়া প্ৰপত্ৰ https://rtos.nonresidenttamil.org ত পূৰণ কৰি পঞ্জীয়ন কৰিব পাৰিব।

https://www.youtube.com/watch?v=NevPulasa_w&feature=youtu.be